**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 12-JUNE-2026
**Time :** 12:05 HRS

***Assamese 12.05 PM Bulletin***
——————————————

HEADLINES

১। কেন্দ্ৰীয় চৰকাৰ, অসম আৰু নাগালেণ্ডৰ মাজৰ ত্ৰিপাক্ষিক চুক্তিয়ে দুয়োখন ৰাজ্যৰ সীমান্তৱৰ্তী অঞ্চলত তেল-গেছৰ অন্বেষণৰ নতুন দুৱাৰ মুকলি কৰিব বুলি মুখ্যমন্ত্ৰীৰ প্ৰকাশ।

২। অভিভাৱক মন্ত্ৰী হিচাপে দায়িত্ব লাভৰ পাছতে মন্ত্ৰীসকলৰ বিভিন্ন জিলাৰ উন্নয়নমূলক কাম-কাজৰ খতিয়ান গ্ৰহণ।

৩। হাড়গিলা বাইদেউ হিচাপে পৰিচিত তথা প্ৰকৃতি সংৰক্ষণবিদ ড° পূৰ্ণিমা দেৱী বৰ্মনক ২০২৬ বৰ্ষৰ WAY FINDER বঁটাৰ বাবে মনোনীত

আৰু

৪। দেশৰ প্ৰসিদ্ধ শ্বুটিং প্ৰশিক্ষক তথা এছিয়ান গেম্‌ছত সোণৰ পদক বিজেতা যশপাল ৰাণাৰ যোৱানিশা দিল্লীৰ এখন চিকিৎসালয়ত দেহাৱসান ঘটে।

০০০০০০

অসম-নাগালেণ্ড সীমান্তত তেল আৰু গেছৰ অন্বেষণৰ বাবে কেন্দ্ৰীয় চৰকাৰ, অসম আৰু নাগালেণ্ডৰ মাজত কালি নতুন দিল্লীৰ কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ত এখন ত্ৰিপাক্ষিক বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হয়। অনুষ্ঠানত কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহ, অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, নাগালেণ্ডৰ মুখ্যমন্ত্ৰী নেইফিউ ৰিঅ' আৰু কেন্দ্ৰীয় কেন্দ্ৰীয় পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ দপ্তৰৰ মন্ত্ৰী হৰদীপ সিং পুৰী উপস্থিত থাকে।

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অনুষ্ঠানত কয়, যে এই ঐতিহাসিক চুক্তিৰ ফলত অসম আৰু নাগালেণ্ডৰ সীমান্তৱৰ্তী অঞ্চলৰ এহেজাৰ বৰ্গ কিলোমিটাৰতকৈ অধিক এলেকাত থকা তেল, গেছ আৰু খনিজ সম্পদৰ অন্বেষণ তথা উৎপাদনৰ নতুন দুৱাৰ মুকলি হ'ব। এই পদক্ষেপে উত্তৰ-পূৰ্বাঞ্চলক মূল চালিকাশক্তি হিচাপে লৈ ভাৰতবৰ্ষক শক্তিখণ্ডত স্বাৱলম্বী কৰি তোলাৰ যাত্ৰাত নতুন গতি প্ৰদান কৰিব বুলি আশা কৰা হৈছে। মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে বিকশিত আৰু সুৰক্ষিত ভাৰত গঢ়াৰ পথ বাধা হৈ থকা পুৰণি তথা জটিল সমস্যাসমূহ সমাধান কৰিবলৈ কেন্দ্ৰীয় চৰকাৰ বদ্ধপৰিকৰ আৰু খনিজ সম্পদৰ অন্বেষণৰ চুক্তিখনেই ইয়াৰ প্ৰমাণ। চুক্তি সম্পাদনাৰ লগে লগে উত্তৰ-পূব অৰ্থাৎ অষ্টলক্ষ্মী অঞ্চলৰ বাবে নতুন যুগৰ আৰম্ভণি ঘটিল বুলি তেওঁ মন্তব্য কৰে।

বাইট

চুক্তি স্বাক্ষৰ অনুষ্ঠানত অংশগ্ৰহণ কৰি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উত্তৰ-পূৰ্বাঞ্চলৰ বাবে গ্ৰহণ কৰা পদক্ষেপসমূহ স্বাধীন ভাৰতৰ ইতিহাসত সঁচাকৈ বিৰল। তেওঁ কয়, যে অঞ্চলটোত শান্তি প্ৰতিষ্ঠাৰ লক্ষ্যৰে ২০১৯ চনৰ পৰা এতিয়ালৈ ১২ খন চুক্তি সম্পাদন হৈছে।

অহা বছৰৰ ভিতৰত কেইখনমান ৰাজ্যৰ বাহিৰে সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ পৰা সশস্ত্ৰ বাহিনীৰ বিশেষ ক্ষমতা আইন - আফ্‌স্পা প্ৰত্যাহাৰ কৰা হ'ব বুলি তেওঁ মন্তব্য কৰে।

বাইট

উল্লেখযোগ্য যে অসম-নাগালেণ্ড সীমান্তৱৰ্তী অঞ্চলত খাৰুৱা তেল আৰু প্ৰাকৃতিক গেছৰ বৃহৎ ভাণ্ডাৰ আছে বুলি অনুমান  কৰা হৈছে। অঞ্চলটোত মূল্যবান হাইড্ৰ' কাৰ্বনৰো ভাণ্ডাৰ আছে বুলি জনা যায়। দুয়োখন ৰাজ্যৰ মাজত দীৰ্ঘদিনীয়া সীমা বিবাদৰ বাবে এতিয়ালৈকে এই সম্পদৰাজিৰ সদ্ব্যৱহাৰ কৰিব পৰা হোৱা নাই। প্ৰস্তাৱিত চুক্তিখনে অৰ্থনৈতিক উন্নয়নৰ নতুন সুযোগ সৃষ্টি কৰি দুয়োখন ৰাজ্যকে একেলগে কাম কৰাত সহায় কৰিব।

০০০০০০

ৰাজ্য চৰকাৰৰ নতুন মন্ত্ৰীসকলে বিভিন্ন জিলাৰ অভিভাৱক মন্ত্ৰী হিচাপে দায়িত্ব লাভ কৰাৰ পাছতে তেওঁলোকে সেই জিলাসমূহ ভ্ৰমণ কৰি বিভিন্ন উন্নয়নমূলক কাম-কাজৰ খতিয়ান লৈছে। মন্ত্ৰীসকলে জিলা প্ৰশাসনৰ সৈতে সমন্বয় ৰক্ষা কৰি উন্নয়ন, সু-শাসন আৰু সমৃদ্ধিৰ দিশত চৰকাৰৰ যাত্ৰাক গতিশীল কৰাৰ চেষ্টা চলাইছে। ওদালগুৰি জিলাৰ অভিভাৱক মন্ত্ৰী নীলিমা দেৱীয়ে কালি জিলা আয়ুক্তৰ কাৰ্যালয়ত বিভিন্ন বিভাগৰ বিষয়াসকলৰ সৈতে পৰ্যালোচনা বৈঠকত অংশ লয়। বৈঠকত জনকল্যাণমূলক আঁচনিসমূহৰ ফলপ্ৰসু ৰূপায়ণ, আন্তঃগাঁথনি উন্নয়ন, প্ৰশাসনিক দক্ষতা তথা জিলাখনৰ সামগ্ৰিক অগ্ৰগতিৰ দিশসমূহ আলোচনা কৰা হয়। মন্ত্ৰীগৰাকীয়ে জনসাধাৰণৰ সমস্যাসমূহ শীঘ্ৰেই সমাধানৰ বাবে সকলো বিভাগে সমন্বিত প্ৰচেষ্টাৰে কাম কৰাত গুৰুত্ব আৰোপ কৰে। লখিমপুৰ জিলাৰ অভিভাৱক মন্ত্ৰী কেশৱ মহন্তই আজি জিলাখনৰ বিভিন্ন বিভাগৰ মুৰববীসকলৰ সৈতে পৰ্যালোচনা বৈঠকত ভাগ ল'ব।

০০০০০০

প্ৰকৃতি সংৰক্ষণৰ হকে দীৰ্ঘদিন ধৰি কাম কৰি অহা তথা  হাড়গিলা বাইদেউ হিচাপে পৰিচিত ডঃ পূৰ্ণিমা দেৱী বৰ্মনক ২০২৬ বৰ্ষৰ WAY FINDER বঁটাৰ বাবে মনোনীত কৰা হৈছে। বিলুপ্তপ্ৰায় হাড়গিলা চৰাই সংৰক্ষণৰ ক্ষেত্ৰত লোৱা অগ্ৰণী ভূমিকাৰ স্বীকৃতি স্বৰূপে ডঃ বৰ্মনক নেচনেল জিঅ'গ্ৰাফিক ছ'চাইটি আৰু কিয়াই যৌথভাৱে প্ৰদান কৰা এই বঁটাৰ বাবে বাছনি কৰা হৈছে। নেচনেল জিঅ'গ্ৰাফিক ছ'চাইটিয়ে প্ৰকাশ কৰা টোকাত ডঃ পূৰ্ণিমা দেৱী বৰ্মনৰ স্বীকৃতিয়ে প্ৰকৃতিৰ প্ৰতি দয়াশীল, সৰ্বাংগীন আৰু সন্মানীয় সমূহীয়া প্ৰচেষ্টাৰ পৰিৱৰ্তনশীল শক্তি সুদৃঢ় কৰি তুলিছে বুলি উল্লেখ কৰা হৈছে। সমগ্ৰ বিশ্বত জৈৱ বৈচিত্ৰৰ প্ৰতি ক্ৰমান্বয়ে  ভাবুকি অহাৰ সময়ত ডঃ দেৱীয়ে ২০ হাজাৰৰো অধিক মহিলাক লৈ গঠন কৰা হাড়গিলা আৰ্মীয়ে মানুহ আৰু বন্যপ্ৰাণীৰ সহৱস্থানৰ আশাব্যঞ্জক আৰ্হি হিচাপে আত্মপ্ৰকাশ কৰা বুলি টোকাটোত উল্লেখ কৰা হৈছে। অহা দেওবাৰৰ পৰা বৃহস্পতিবাৰলৈ আমেৰিকাৰ ৱাশ্বিংটন ডিচিত হ'বলগীয়া অনুষ্ঠানত ডঃ পূৰ্ণিমা দেৱী বৰ্মনৰ লগতে অন্য ১৪ গৰাকী ব্যক্তিক সমাজৰ বিভিন্ন ক্ষেত্ৰলৈ আগবঢ়োৱা অনবদ্য সেৱাৰ বাবে এই বঁটা প্ৰদান কৰা হ'ব।

০০০০০০

সংগীত নাটক একাডেমী বঁটাৰে সন্মানিত, অসমৰ লোক সংগীত আৰু বিহুৰ অপ্ৰতিদ্বন্দ্বী শিল্পী খগেন মহন্তৰ মৃত্যু দিৱস উপলক্ষে আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তত শিল্পীগৰাকীৰ স্মৃতিত শ্ৰদ্ধা নিবেদন কৰা হয়। আকাশবাণীৰ নিয়মীয়া শিল্পী হিচাপে ১৯৬৫ চনৰ পৰা গীত পৰিৱেশন আৰম্ভ কৰা শিল্পীগৰাকীয়ে ১৯৭২ চনত প্ৰথম শ্ৰেণীৰ সুগম সংগীত আৰু লোক সংগীতৰ শিল্পী হিচাপে স্বীকৃতি লাভ কৰে। প্ৰথমে

আকাশবাণীৰ সুৰকাৰ হিচাপে নিয়োজিত হৈ পাছলৈ সংগীত প্ৰযোজকৰ দায়িত্ব গ্ৰহণ কৰে। ২০০১ চনত আকাশবাণীৰ উত্তৰ-পূব সঞ্চালকালয়ৰ উপ-সঞ্চালক হিচাপে অৱসৰ গ্ৰহণ কৰা শিল্পীগৰাকীয়ে অসমীয়া লোক-সংগীতৰ শিল্পীসকলক বিচাৰি উলিয়াবৰ বাবে বিভিন্ন পদক্ষেপ লৈছিল। গাঁৱে-ভুঞে গৈ চহা মানুহৰ মাজত গীত পৰিৱেশন কৰাৰ লগতে লোকগীতৰ লেচেৰী বুটলি এনে গীতসমূহ সংৰক্ষণৰ দিহা কৰাৰ ক্ষেত্ৰতো তেওঁ বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছিল। ২৩ খন অসমীয়া চলচ্চিত্ৰত নেপথ্য শিল্পী হিচাপে কণ্ঠদান কৰা শিল্পীগৰাকীয়ে তিনিখন অসমীয়া  চলচ্চিত্ৰ পৰিচালনাও কৰিছিল।  স্মৃতি দিৱস উপলক্ষে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি শিল্পীগৰাকীৰ প্ৰতি গভীৰ শ্ৰদ্ধা জ্ঞাপন কৰে। মুখ্যমন্ত্ৰীয়ে তেওঁৰ বাৰ্তাত কয়, যে শিল্পীগৰাকীৰ সুললিত কণ্ঠই ৰাজ্যৰ লোক সংস্কৃতি, ঐতিহ্য আৰু বিহুৰ সংৰক্ষণ আৰু প্ৰসাৰত অৰিহণা যোগাইছিল। গাঁৱৰ মাটিৰ নিভাঁজ গোন্ধেৰে ভৰা তেওঁৰ সংগীতে অসমৰ জনজীৱন, আশা-আকাংক্ষা আৰু আৱেগক সজীৱভাৱে প্ৰতিফলিত কৰে বুলি তেওঁ উল্লেখ কৰে।

000000

ভ্ৰাম্যমান থিয়েটাৰৰ সৃষ্টিকৰ্তা অচ্যুত লহকৰৰ আজি দশম মৃত্যু বাৰ্ষিকী। স্বাধীন ভাৰতৰ অন্যতম জনপ্ৰিয় গণমাধ্যম ভ্ৰাম্যমান থিয়েটাৰৰ জনক লহকৰৰ মৃত্যু তিথি উপলক্ষে আজি পাঠশালাত বিশেষ কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। প্ৰায় ৬০বছৰ পূৰ্বে গান্ধী জয়ন্তীৰ দিনটোত পাঠশালাৰ হৰিমন্দিৰ প্ৰাংগণত নটৰাজ থিয়েটাৰ স্থাপন কৰি প্ৰয়াত লহকৰে ভ্ৰাম্যমান নাট্যযাত্ৰাৰ সোণালী পথৰ সূচনা কৰিছিল। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অচ্যুত লহকৰৰ মৃত্যু বাৰ্ষিকী উপলক্ষে ভ্ৰাম্যমান থিয়েটাৰৰ জনকগৰাকীক শ্ৰদ্ধাৰে সোঁৱৰিছে। সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত ড° শৰ্মাই কয়, যে ভ্ৰাম্যমান থিয়েটাৰক ৰাইজৰ কাষলৈ লৈ যোৱাৰ ক্ষেত্ৰত তেওঁৰ অৱদান অনস্বীকাৰ্য। ৰাজ্যৰ সমাজ জীৱনৰ অন্যতম মহীৰুহস্বৰূপ প্ৰয়াত লহকৰে আৰম্ভ কৰা অনন্য সাংস্কৃতিক বিপ্লৱে যুগ-যুগলৈ জাতিটোক সমৃদ্ধ কৰি ৰাখিব বুলি তেওঁ মন্তব্য কৰে।

000000

দেশৰ প্ৰসিদ্ধ শ্যুটিং প্ৰশিক্ষক তথা এছিয়ান গেম্‌ছত সোণৰ পদক বিজেতা যশপাল ৰাণাৰ যোৱানিশা দিল্লীৰ এখন চিকিৎসালয়ত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৪৯ বছৰ। জাৰ্মানীৰ মিউনিখত অনুষ্ঠিত আই এছ এছ বিশ্বকাপ শ্যুটিং প্ৰতিযোগিতাৰ পৰা ভাৰতীয় দল উভতি অহাৰ সময়ত ৰোগত আক্ৰান্ত হোৱাৰ বাবে ৰাণাক অলপতে চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছিল আৰু হৃদযন্ত্ৰৰ ৰক্তবাহী নলীত হোৱা ব্লকেজৰ বাবে ষ্টেণ্ট স্থাপন কৰা হৈছিল। প্ৰয়াত ৰাণা ভাৰতীয় পিষ্টল শ্যুটাৰসকলৰ প্ৰশিক্ষক হিচাপে কৰ্মৰত আছিল যশপাল ৰাণাই পেৰিছ অলিম্পিকত দুটা ব্ৰঞ্জৰ পদক অৰ্জন কৰি ইতিহাস ৰচনা কৰা মনু ভাকৰক বিশেষভাৱে সহায় কৰিছিল। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে যশপাল ৰাণাৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে। প্ৰধানমন্ত্ৰীয়ে সামাজিক মাধ্যমযোগে দিয়া এটা শোকবাৰ্তাত কয়, যে ৰাণাই শ্যুটিঙত লাভ কৰা অসাধাৰণ সাফল্যৰে দেশলৈ গৌৰৱ কঢ়িয়াই আনিছিল। শ্ৰী মোদীয়ে কয়, যে তেওঁ পথ প্ৰদৰ্শক হিচাপে যুৱ খেলুৱৈসকলক নিষ্ঠা সহকাৰে প্ৰশিক্ষণ প্ৰদান কৰিছিল।

000000

**সমাপ্ত**